# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-05-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অন্যতম অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন নাকচ কৰিছে। ন্যায়াধীশ মিতালী ঠকুৰীয়াৰ বিচাৰপিঠে অভিযুক্ত পক্ষ আৰু চৰকাৰী পক্ষৰ যুক্তি শুনাৰ পাছত মহন্তৰ জামিন আবেদন নাকচ কৰে। ন্যায়ালয়ে অভিযুক্ত মহন্তৰ বিচাৰ প্ৰক্ৰিয়াৰ পৰা আঁতৰি যোৱাৰ সম্ভাৱনা, তথ্য প্ৰমাণ নষ্ট কৰা আৰু গোচৰৰ সাক্ষীক প্ৰভাৱান্বিত কৰাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি জামিন আবেদন অগ্ৰাহ্য কৰে।

ইয়াৰ পূৰ্বে বাক্সাৰ জিলা কাৰাগাৰত বন্দী হৈ থকা অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মজিয়াত কেইবাদিনো ধৰি শুনানি অনুষ্ঠিত হৈছিল। শুনানিকালত জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰাৰ বিপৰীতে ৰাজ্য চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই ইয়াৰ বিৰোধিতা কৰিছিল। উভয় পক্ষৰ যুক্তি শুনাৰ পাছত উচ্চ ন্যায়ালয়ে আজি শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায় প্ৰদান কৰে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতেও অভিযুক্ত মহন্তৰ জামিন আবেদন নাকচ কৰিছিল।

ইপিনে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শেখৰজ্যোতি গোস্বামীৰ জামিন আবেদন আজি ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে নাকচ কৰে। আন ৪ গৰাকী অভিযুক্ত অমৃত প্ৰভা মহন্ত, সন্দীপন গাৰ্গ, পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাৰ জামিন আবেদনৰ শুনানী আজি ফাষ্টট্ৰেক আদালতত সম্পন্ন হয়। অহা ৮ জুনত এই ৪ গৰাকী অভিযুক্তৰ পুনৰ শুনানী অনুষ্ঠিত হ'ব।

০০০০

২০৪৭ চনৰ ভিতৰত ভাৰত বিশ্ব শক্তি আৰু আগশাৰীৰ অৰ্থনীতি হিচাপে পৰিগণিত হোৱাৰ ক্ষেত্ৰত তৃণমূল পৰ্যায়ৰ উন্নয়নে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব বুলি কেন্দ্ৰীয় পঞ্চায়তীৰাজ দপ্তৰৰ ৰাজ্যমন্ত্ৰী অধ্যাপক এছ পি সিং বাঘেলে আজি গুৱাহাটীত প্ৰকাশ কৰে। পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ উদ্যোগত গুৱাহাটীত আজি **সেৱা চে সমৃদ্ধি** শীৰ্ষক সেৱা প্ৰদান বিষয়ক এখন আঞ্চলিক কৰ্মশালা উদ্বোধন কৰি শ্ৰী বাঘেলে কয় যে গ্ৰামাঞ্চলৰ জনসাধাৰণৰ সবলীকৰণ দেশৰ উন্নয়নৰ অন্যতম চৰ্ত। তেওঁ প্ৰতিজন ব্যক্তিয়ে প্ৰাপ্য সুবিধা লাভ কৰিবি পৰাকৈ পঞ্চায়তীৰাজ ব্যৱস্থা উন্নীত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সমূহীয়া সেৱা কেন্দ্ৰসমূহৰ ভূমিকাৰ ওপৰত আলোকপাত কৰি শ্ৰীবাঘেলে কয় যে এই কেন্দ্ৰসমূহে প্ৰশাসন ব্যৱস্থাক জনসাধাৰণৰ ওচৰ চপাই নিয়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা লৈছে।

(বাইট)

০০০০

পৰিবহন মন্ত্ৰী চৰণ বড়োৱে আজি গুৱাহাটী মহানগৰীৰ যান-বাহন চলাচল ব্যৱস্থা পৰ্যবেক্ষণ কৰে। তেঁও মহানগৰীখনৰ বৈদ্যুতিক বাছসমূহৰ চলাচলৰ বুজ লোৱাৰ বাবে এনে বাছত ভ্ৰমণ কৰে। মন্ত্ৰীগৰাকীয়ে যাত্ৰী আৰু চালকসকলৰ পৰা সা-সুবিধাসমূহৰ বুজ লয়।

ইপিনে, শিৱসাগৰ জিলা পৰিবহন বিভাগৰ উদ্যোগত জিলাখনত যান-বাহন আইন আৰু নিয়মাৱলী উলংঘাকাৰীসকলৰ বাবে থিতাতে পৰামৰ্শদান কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। জিলা পৰিবহন বিষয়া হীৰকজ্যোতি ডেকাৰ নেতৃত্বত এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ইয়াৰ দ্বাৰা যান-বাহন আইন উলংঘাৰ ঘটনা ৰোধ কৰাৰ লগতে পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ লক্ষ্য লোৱা হৈছে।

০০০০

কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি যোৰহাট জিলাৰ তিতাবৰত বিজেপিৰ দলীয় কাৰ্যকৰ্তাসকলৰ সৈতে মত বিনিময় কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিজেপিৰ তিতাবৰে নৱ নিৰ্বাচিত বিধায়ক ধীৰাজ গোৱালাক  সম্বৰ্ধনা জ্ঞাপন কৰা হয়। শ্ৰীমাৰ্ঘেৰিটাই দলীয় কাৰ্যকৰ্তাসকলৰ সৈতে ভৱিষ্যত কাৰ্যপন্থা সন্দৰ্ভতো আলোচনা কৰে।

০০০০

যোৰহাট জিলা আয়ুক্ত জয় শিৱানীৰ অধ্যক্ষতাত আজি জিলা কৃষি বিভাগৰ এখন গুৰুত্বপূৰ্ণ আন্তঃবিভাগীয় বৈঠক অনুষ্ঠিত হয়।  এই বৈঠকত কৃষি খণ্ডৰ বিভিন্ন আঁচনিসমূহৰ সফল ৰূপায়ণ নিশ্চিত কৰাৰ বাবে বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হয়। তদুপৰি জলসিঞ্চন, ভূমি, পশুপালন, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি  বিভাগৰ সৈতে সমন্বয় ৰক্ষা কৰি কাম কৰাৰ বাবে নিৰ্দেশ দিয়া হয়।

০০০০

তেজপুৰত পূৰ্বৰ দৰে এই বছৰো অহা ৬ আৰু ৭ জুনত তেজপুৰ লিচু মহোৎসৱ অনুষ্ঠিত হ'ব। আজি শোণিতপুৰ জিলাৰ আয়ুক্ত আনন্দ কুমাৰ দাসে লিচু মহোৎসৱ হ'বলগীয়া পৰুৱা লিচু বাগিছা আৰু পল্টন পুখুৰী লিচু বাগিছা পৰিদৰ্শন কৰে। তেওঁৰ সৈতে **টেৰী**ৰ জ্যেষ্ঠ বিষয়া ড০ দিপাংকৰ চহৰীয়া, ক্ষুদ্ৰ অনুদান কাৰ্যসূচীৰ ৰাষ্ট্ৰীয় সমন্বয়ক মনীষ কুমাৰ পাণ্ডে, সহকাৰী আয়ুক্ত অৰ্ণৱ বৰকটকী, মহকুমা কৃষি বিষয়া ড০ জাকিৰ হুছেইন আৰু অন্যান্য বিভাগীয় বিষয়াসকলো আছিল। পৰিদৰ্শনৰ সময়ত দলটোৱে লিচু মহোৎসৱৰ জৰিয়তে লিচু খেতিয়কৰ বাবে বজাৰ সংযোগ নিশ্চিত কৰা কৃষকৰ অংশগ্ৰহণ বৃদ্ধি কৰা তেজপুৰৰ লিচুক বিশ্বৰ প্ৰেক্ষাপটত পৰিচয় কৰি দিয়া আদি বিষয়ত আলোকপাত কৰে।

০০০০

মাজুলীৰ খোৰাহোলা যুৱক সংঘৰ উদ্যোগত অনুষ্ঠিত চতুৰ্থ বৰ্ষৰ ব্ৰহ্মপুত্ৰ কাপ ক্ৰিকেট ২০২৬ প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত উদ্বোধনী খেলখনত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় দলে নাহিদ ইলেভেন দলক ৪৪ ৰানত পৰাস্ত কৰে। মুঠ ৩০ টা দলে ভাগ লোৱা প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে মুকলি কৰে সমাজকৰ্মী আনন্দ হাজৰিকাই। অনুষ্ঠানত যুৱক সংঘৰ সভাপতি নিতুল হাজৰিকা, শিক্ষাবিদ অতুল হাজৰিকা, অনুসূচীত জাতি উন্নয়ন বোৰ্ডৰ অধ্যক্ষ প্ৰফুল্ল দাসকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

০০০০

ঃঃ সমাপ্ত ঃঃ